**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং- ২০২**
**উত্তৰ দিয়াৰ তাৰিখ-১০/০৭/২০২৬**

বিষয় : জীয়াকুৰ বিজাৰ্ভ আদৰ্শ চিকিৎসালয় অভাব পুৰণ আৰু কিডনী ডায়েলাইছিছ কেন্দ্ৰটোত অতিৰিক্ত বিচনা বঢ়োৱাৰ সম্পৰ্কে।

শ্ৰী হিমাংশু শেখৰ বৈশ্য, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত জীয়াকুৰ অঞ্চলৰ জীয়াকুৰ ৰিজাৰ্ভ আদৰ্শ চিকিৎসালয়ত বহুত দিনৰ পৰা ডাক্তৰ আৰু পৰ্য্যাপ্ত পৰিমানৰ সা-সঁজুলি অভাৱ হৈ আছে। এই আদৰ্শ চিকিৎসালয়ৰ অসুবিধা সমূহ দূৰ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা কৰিব নেকি? সদনত জনাব।

(খ) কিডনী ডায়েলাইছিছ কেন্দ্ৰটো উপৰহালি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ লগত একেলগে সংলগ্ন হৈ আছে। ডায়েলাইছিছ কেন্দ্ৰটোত মাত্ৰ তিনিখন বিচনা আছে। উক্ত ডায়েলাইছিছ কেন্দ্ৰটোত আৰু অতিৰিক্ত বিচনা বঢ়োৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**-উত্তৰ-**

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহল মহোদয়ে উত্তৰ দিব :

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত জীয়াকুৰ অঞ্চলৰ জীয়াকুৰ ৰিজাৰ্ভ আদৰ্শ চিকিৎসালয়ত অ. পি. ডি., লেবৰেটৰী, আৰু এক্স-ৰে আদি চিকিৎসা সেৱা প্ৰদান কৰিবলৈ আধুনিক সা-সঁজুলিৰে সজ্জিত কৰা হৈছে। স্বাভাৱিক প্ৰসৱ সেৱাৰ বাবে প্ৰয়োজনীয় সঁজুলি আৰু আন্তঃগাঁথনিও চিকিৎসালয় খনত উপলব্ধ আছে। জিলা কৰ্তৃপক্ষৰ তৰফৰ পৰা অতিৰিক্ত সা-সঁজুলিৰ বাবে বৰ্তমানলৈ কোনো প্ৰস্তাৱ পোৱা নাই ।

জীয়াকুৰ ৰিজাৰ্ভ আদৰ্শ চিকিৎসালয়ত নিয়োজিত স্বাস্থ্যকৰ্মী সমূহৰ বিতং তথ্য তলত দিয়া হল:

১. স্থায়ী

ডক্টৰ - ৫ জন
ষ্টাফ নাৰ্চ - ১ গৰাকী
লেবৰটোৰি টেকনিচিয়ান - ১ জন

২. NHM ৰ অধীনৰ

ডক্টৰ - ১ জন
ষ্টাফ নাৰ্চ - ৩ গৰাকী
লেবৰটোৰি টেকনিচিয়ান - ১ জন

(খ) অতিৰিক্ত ডায়েলাইছিছ মেচিন বঢ়োৱা বিষয়টো ৰোগীৰ সংখ্যা, অপেক্ষাৰ সময় (Wait period) আদিৰ ওপৰত নিৰ্ভৰ কৰে, যিটো নিৰন্তৰ ভাবে মূল্যায়ন কৰি থকা হৈছে ।

**বিঃ দ্ৰঃ -ওপৰোক্ত উত্তৰবোৰ ইতিমধ্যে অনলাইনত আপলোড কৰা হৈছে।**

--০০০---